# পৰিৱেশ অধ্যয়ন
## পঞ্চম শ্ৰেণী

| পাঠৰ নাম | অৰ্হতা |
|---|---|
| (১) আমাৰ পৰিৱেশ | ● ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিৱেশৰ বিষয়ে বুজি পাব।<br>● মানবসৃষ্ট আৰু প্ৰাকৃতিক পৰিৱেশৰ বিষয়ে বুজি পাব।<br>● প্ৰাকৃতিক পৰিৱেশ যে জৈৱিক আৰু অজৈৱিক উপাদানেৰে গঠিত, এই বিষয়ে বুজি পাব।<br>● পুৰণি কীৰ্তিচিহ্ন যে ঐতিহ্যৰ প্ৰতীক এই বিষয়ে বুজি পাব।<br>● ঘৰ, পথ, দলং, নদীবান্ধ আৰু বিভিন্ন সামাজিক অনুষ্ঠান আদি যে মানবসৃষ্ট পৰিৱেশৰ অন্তৰ্গত এই বিষয়ে বুজি পাব।<br>● কীৰ্তি চিহ্ন, দৌল-দেৱালয়, মঠ-মন্দিৰ আদি মানবসৃষ্ট সম্পদসমূহ যে সংৰক্ষণ কৰিব লাগে এই বিষয়ে বুজি পাব। |
| (২) পৰিস্থিতি তন্ত্ৰ | ● পৰিস্থিতি তন্ত্ৰৰ বিষয়ে বুজি পাব।<br>● উৎপাদক, প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণীৰ উপভোক্তা আৰু বিয়োজকৰ বিষয়ে বুজি পাব।<br>● পুখুৰী আৰু ঘাঁহনি পৰিস্থিতি তন্ত্ৰত থকা উৎপাদক আৰু উপভোক্তাৰ পৰস্পৰ নিৰ্ভৰশীলতাৰ বিষয়ে বুজি পাব।<br>● খাদ্যজালৰ বিষয়ে বুজি পাব। |
| (৩) অসমৰ সংস্কৃতি | ● আমাৰ ৰাজ্যখনৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে বুজি পাব।<br>● বিভিন্ন জাতি-জনজাতিৰ লগত একেলগে মিলাপ্ৰীতিৰে বাস কৰাৰ মনোভাব গঢ়ি উঠিব। |
| (৪) প্ৰাকৃতিক সম্পদসমূহ | ● আমাৰ অসমখন যে প্ৰাকৃতিক সম্পদত চহকী দেশ— সেই বিষয়ে জানিব।<br>● নবীকৰণক্ষম আৰু অনবীকৰণক্ষম সম্পদ সম্পৰ্কে বুজি পাব।<br>● বনজ, জলজ, খনিজ আৰু কৃষিজাত সম্পদৰ বিষয়ে বুজি পাব।<br>● প্ৰাকৃতিক সম্পদসমূহ অসমৰ কোন কোন ঠাইত আছে জানিব।<br>● অসমৰ মানচিত্ৰত নৈ আৰু উপনৈসমূহ চিনাক্ত কৰিব পাৰিব।<br>● প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰত যে মিতব্যয়ী হ'ব লাগে জানিব। |



| পাঠৰ নাম | অৰ্হতা |
|---|---|
| (৫) সম্পদৰ সংৰক্ষণ | ● জৈৱ সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাব।<br>● কিছুমান বিলুপ্ত হৈ যোৱা প্ৰাণীৰ নাম জানিব।<br>● মানুহৰ বিভিন্ন ধ্বংসে কাৰ্যৰ বাবে যে পৃথিবীৰ পৰা কিছুমান উদ্ভিদ আৰু প্ৰাণী বিলুপ্ত হৈছে এই বিষয়ে বুজি পাব।<br>● অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান, উদ্ভিদ উদ্যানৰ গুৰুত্ব বুজি পাব।<br>● অসমত থকা কেইখনমান ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যৰ নাম আৰু এইবোৰত থকা প্ৰাণী আৰু পক্ষীৰ বিষয়ে জানিব।<br>● পৰিৱেশ সংৰক্ষণৰ সজাগতা আনিবলৈ জনসাধাৰণে লোৱা কিছুমান ব্যৱস্থাৰ বিষয়ে জানিব।<br>● মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ বিষয়ে জানিব। |
| (৬) বতৰ | ● বতৰৰ বিষয়ে জানিব।<br>● সময়ে সময়ে যে বতৰৰ পৰিৱৰ্তন হয় সেই বিষয়ে বুজি পাব।<br>● পৰিৱৰ্তনশীল বতৰৰ লগত কেনেকৈ নিজকে খাপ খুৱাই চলিব লাগে সেই বিষয়ে বুজি পাব।<br>● বতৰ যে বিভিন্ন উপাদানৰ ওপৰত নিৰ্ভৰ কৰে সেই বিষয়ে বুজিবলৈ সমৰ্থ হ'ব।<br>● বতৰৰ আগলিবতৰা নিৰ্ধাৰণৰ কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিবোৰৰ নাম জানিব।<br>● বতৰ বিজ্ঞান কেন্দ্ৰৰ বিষয়ে জানিব।<br>● বতৰৰ আগজাননী দিয়া ব্যৱস্থাৰ সুফলসমূহ উপলব্ধি কৰিব। |
| (৭) আহাৰৰ প্ৰয়োজনীয়তা | ● খাদ্যত থকা বিভিন্ন উপাদান আৰু এইবোৰৰ গুণাগুণৰ বিষয়ে বুজি পাব।<br>● শাৰীৰিক আৰু মানসিক বিকাশ আৰু সু-স্বাস্থ্যৰ বাবে খাদ্যৰ বিভিন্ন উপাদান যেনে—প্ৰ'টিন, শৰ্কৰা, চৰ্বি, ভিটামিন, খনিজ লৱণ আৰু পানীৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাব।<br>● সুষম আহাৰৰ প্ৰয়োজনীয়তা বুজি পাব।<br>● এক বা ততোধিক উপাদানৰ অভাৱত হোৱা অভাৱজনিত ৰোগৰ বিষয়ে বুজি পাব।<br>● খাদ্যত আয়'ডিনযুক্ত নিমখ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাব।<br>● মেদ বহুলতাৰ কাৰণ আৰু শৰীৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে বুজি পাব।<br>● দূষিত খাদ্য, পুৰণি খাদ্য, বেছি মছলা আৰু নিমখযুক্ত খাদ্য আৰু মুকলিকৈ ৰখা খাদ্য যে শৰীৰৰ বাবে অপকাৰী এই বিষয়ে বুজি পাব। |
| (৮) জীৱন ধাৰণৰ প্ৰণালী | ● প্ৰাচীনকালৰ মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ বিষয়ে জানিব।<br>● ভিন্ন ভিন্ন পৰিৱেশ যেনে— ভৈয়াম, পাহাৰ, নৈৰ পাৰ, চৰ অঞ্চল, চাহ বাগিচা, গাঁও আৰু নগৰ অঞ্চলত বাস কৰা লোকৰ জীৱন ধাৰণ সম্পৰ্কে বুজি পাব। |

| পাঠৰ নাম | অৰ্হতা |
|---|---|
| (৯) আমাৰ সামাজিক সমস্যা | • সমাজত থকা বিভিন্ন সমস্যা যেনে— নিৰক্ষৰতা, শিশু শ্ৰমিক, যৌতুক প্ৰথা, অন্ধবিশ্বাস, লিংগ বৈষমতা আদিৰ বিষয়ে বুজি পাব।<br>• এই সামাজিক সমস্যাসমূহ নিৰ্মূল কৰাৰ মনোভাব গঢ়ি উঠিব। |
| (১০) পৰিৱেশ প্ৰদূষণ | • বায়ু, পানী আৰু মাটি কিদৰে প্ৰদূষিত হয় এই বিষয়ে বুজি পাব।<br>• পৰিৱেশ প্ৰদূষণ মুক্ত কেনেকৈ কৰিব পাৰি তাক বুজি পাব।<br>• পৰিৱেশৰ লগত সহজে মিলি যোৱা জৈৱিক পদাৰ্থৰ ব্যৱহাৰৰ উপকাৰিতাৰ বিষয়ে বুজি পাব।<br>• ৰাসায়নিক সাৰ, ৰাসায়নিক কীটনাশক দ্ৰব্যৰ পৰিৱৰ্তে জৈৱ সাৰ আৰু প্ৰাকৃতিক কীটনাশক দ্ৰব্য ব্যৱহাৰৰ প্ৰয়োজনীয়তা বুজি পাব।<br>• প্ৰদূষণ কিদৰে প্ৰতিৰোধ কৰিব পাৰি এই বিষয়ে বুজি পাব।<br>• বৰ্জিত দ্ৰব্য আৰু পুনৰাবৰ্তন প্ৰক্ৰিয়াৰ সহায়ত পুনৰ ব্যৱহাৰোপযোগী হোৱাটো বুজি পাব। |
| (১১) যাতায়াত | • পৰিবহণ আৰু যাতায়াত ব্যৱস্থাই যে মানৱ জীৱনত প্ৰভাৱ পেলাইছে সেই সম্পৰ্কে উপলব্ধি কৰিব।<br>• পথ পৰিবহণ, জল পৰিবহণ, ৰে'ল পৰিবহণ, আকাশী পথ পৰিবহণ আৰু ৰচী পৰিবহণ ব্যৱস্থাৰ বিষয়ে জানিব।<br>• ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশত পৰিবহণ ব্যৱস্থাৰ গুৰুত্ব আছে সেই বিষয়ে উপলব্ধি কৰিব। |
| (১২) উদ্যোগ | • উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন কাৰকসমূহৰ বিষয়ে জানিব।<br>• অসমৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত ব্যৱহাৰ হোৱা কেঁচা সামগ্ৰীৰ নাম জানিব।<br>• অসমৰ উদ্যোগৰ দ্বাৰা উৎপাদিত হোৱা কিছুমান সামগ্ৰীৰ নাম জানিব।<br>• ভাৰতৰ পাঁচটা বৃহৎ উদ্যোগ যেনে— চেনি, কপাহী বস্ত্ৰ, ৰেচম, কাগজ, লো-তীখা উদ্যোগৰ বিষয়ে জানিব। |
| (১৩) দুৰ্যোগ | • দুৰ্যোগৰ বিষয়ে ধাৰণা হ'ব।<br>• প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগ যেনে— বানপানী, ভূমিকম্প, চুনামি, ভূমিস্খলন, গৰাখহনীয়া, খৰাং, বনজুই, বনানী ধ্বংসকৰণ আদিয়ে পৰিৱেশৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে বুজি পাব।<br>• দুৰ্যোগৰ আগত, দুৰ্যোগৰ সময়ত আৰু দুৰ্যোগৰ পিছত ল'বলগীয়া ব্যৱস্থাৰ বিষয়ে বুজি পাব। |
| (১৪) স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা | • স্বাধীনতা সংগ্ৰামত বৃটিছৰ বিৰুদ্ধে অসমৰ লোকসকলে কেনেদৰে ভাগ লৈছিল, সেই বিষয়ে জানিব।<br>• স্বাধীনতা সংগ্ৰামৰ বিভিন্ন সময়ত অংশগ্ৰহণকাৰী ব্যক্তিসকলৰ নাম জানিব।<br>• ফুলগুৰিৰ ধেৱা, পথৰুঘাটৰ ৰণ, বড়িয়াৰ বাইজ মেল আৰু ঢেকীয়াজুলিৰ ঘটনা আদিৰ বিষয়ে অৱগত হ'ব। |



| পাঠৰ নাম | অৰ্হতা |
|---|---|
| | • মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলন আদিৰ বিষয়ে বুজি পাব।<br>• স্বাধীনতা আন্দোলনত ছহিদ হোৱা কিছুমান ব্যক্তিৰ নাম জানিব। |
| (১৫) আমাৰ সংবিধান | • ভাৰতৰ সংবিধানৰ বিষয়ে জানিব।<br>• ভাৰতৰ সংবিধানত লিপিবদ্ধ থকা প্ৰমূল্যসমূহৰ সৈতে পৰিচিত হ'ব আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধ জাগ্ৰত হ'ব।<br>• ভাৰতৰ সংবিধানত থকা প্ৰস্তাৱনা, নিৰ্দেশনাত্মক নীতি, মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্য সম্পৰ্কে অৱগত হ'ব। |
| (১৬) গাঁও পঞ্চায়ত | • গাঁও পঞ্চায়তৰ গঠন আৰু নীতিসমূহৰ বিষয়ে জানিব।<br>• পঞ্চায়তৰ সভাপতি আৰু সদস্যসকলক যে ভোটদানৰ জৰিয়তে নিৰ্বাচন কৰা হয় সেই বিষয়ে বুজি পাব।<br>• পঞ্চায়তৰ এক তৃতীয়াংশ সদস্য যে মহিলা হোৱা উচিত সেই বিষয়ে বুজি পাব।<br>• গাঁও পঞ্চায়তৰ উন্নয়নমূলক কামসমূহৰ দায়িত্ব যে পঞ্চায়তৰ সকলো সদস্যই সমূহীয়াকৈ গ্ৰহণ কৰে সেই বিষয়ে অৱগত হ'ব।<br>• চহৰ বা নগৰ অঞ্চলৰ উন্নয়নৰ বাবে যে নগৰ সমিতি, পৌৰ সভা, পৌৰ নিগম গঠন কৰা হয়, সেই বিষয়ে বুজি পাব। |
| (১৭) আমাৰ দেশ ভাৰতবৰ্ষ | • 'ভাৰত' নামৰ উৎপত্তি সম্পৰ্কে জানিব।<br>• ভাৰতবৰ্ষৰ ৰাজধানীৰ নাম জানিব।<br>• ভাৰতৰ প্ৰাকৃতিক বিভাগ সম্পৰ্কে বুজি পাব।<br>• ভাৰতৰ মানচিত্ৰত প্ৰধান নদ-নদী আৰু পাহাৰ-পৰ্বত চিহ্নিত কৰিব পাৰিব।<br>• ভাৰতবৰ্ষৰ সংস্কৃতিত প্ৰতিফলিত হোৱা 'অনৈক্যৰ মাজত ঐক্য' এই বিষয়ে বুজি পাব। |
| (১৮) আমাৰ চুবুৰীয়া ৰাজ্যসমূহ | • ভাৰতৰ মানচিত্ৰত উত্তৰ-পূৰ্বাঞ্চলক চিনাক্ত কৰিব পাৰিব।<br>• ৰাজধানীৰ সৈতে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নাম জানিব আৰু মানচিত্ৰত চাৰিসীমা নিৰ্ধাৰণ কৰিব পাৰিব।<br>• উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ গঠনৰ ইতিবৃত্ত জানিব।<br>• উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভূ-প্ৰাকৃতিক বিভাগসমূহ মানচিত্ৰত চাই বুজি পাব।<br>• অসমৰ চুবুৰীয়া ৰাজ্যসমূহত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ বিষয়ে জানিব। |